# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-11-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়াৰ শীৰ্ষ বিশ্ববিদ্যালয়সমূহৰ তালিকাত ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ সংখ্যা বৃদ্ধি পোৱাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰিছে।

২। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি ছত্তিশগড়লৈ যাব।

৩। ভাৰতৰ নিৰ্বাচন আয়োগে নতুন দিল্লীৰ ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন ব্যৱস্থাপনা প্ৰতিষ্ঠানত ২০২৫ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় নিৰ্বাচন কাৰ্যসূচী মুকলি কৰে।

৪। কৰ্মচাৰী, জন অভিযোগ আৰু পেঞ্চনৰ ৰাজ্যমন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে নতুন দিল্লীত আজি চতুৰ্থটো দেশজোৰা ডিজিটেল লাইফ চাৰ্টিফিকেট অভিযান আৰম্ভ কৰিব।

*আৰু*

৫। গুৰু নানক দেশৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশত গুৰুপুৰব উদযাপন কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা এটা দশকত এছিয়াৰ শীৰ্ষ বিশ্ববিদ্যালয়সমূহৰ তালিকা কিউ এছ এছিয়া বিশ্ববিদ্যালয় ৰেংকিঙত ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ সংখ্যা বৃদ্ধি পোৱাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কৈছে, যে গৱেষণা আৰু উদ্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি যুৱক-যুৱতীসকলক মানসম্পন্ন শিক্ষা প্ৰদানৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে কয়, যে সমগ্ৰ দেশৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহক অধিক সক্ষম কৰি  এই প্ৰতিষ্ঠানসমূহৰ মান বৃদ্ধি কৰাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হৈছে। কিউ এছ এছিয়া বিশ্ববিদ্যালয় ৰেংকিঙৰ শীৰ্ষ ১০০টা স্থানত ৫ খন ভাৰতীয় প্ৰযুক্তিৰ প্ৰতিষ্ঠান, ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান, বেংগালুৰু আৰু দিল্লী বিশ্ববিদ্যালয়ে স্থান পাইছে।

ooooo

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি ছত্তিশগড়লৈ যাব। উপ ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত এয়া তেওঁৰ প্ৰথম ছত্তিশগড় ভ্ৰমণ। কেৰালা আৰু তামিলনাডু ভ্ৰমণ সামৰি উপ ৰাষ্ট্ৰপতি শ্ৰীৰাধাকৃষ্ণণ আজি বিয়লি ছত্তিশগড়ত উপস্থিত হ'ব। ভ্ৰমণৰ সময়ছোৱাত উপৰাষ্ট্ৰপতিয়ে ছত্তিশগড়ৰ ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত ৰজত মহোৎসৱকে ধৰি ন'ভৰায়পুৰ আৰু ৰাজনন্দনগাঁৱত কেইবাটাও অনুষ্ঠানত ভাগ ল'ব। উপ ৰাষ্ট্ৰপতিয়ে ন'ভৰায়পুৰত বায়ুসেনাৰ সূৰ্যকিৰণ এৰোবেটিক টীমে প্ৰদৰ্শন কৰা বিমান প্ৰদৰ্শনীত উপস্থিত থাকিব।

পাছত তেওঁ ৰাজনন্দনগাঁৱত আয়োজিত লাখপতি দিদি সন্মিলনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ন'ভৰায়পুৰত আয়োজিত ছত্তিশগড় ৰজত মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণেৰে উপ ৰাষ্ট্ৰপতিয়ে তেওঁ ছত্তিশগড় ভ্ৰমণ সামৰিব।

ooooo

ভাৰতৰ নিৰ্বাচন আয়োগে নতুন দিল্লীৰ ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন ব্যৱস্থাপনা প্ৰতিষ্ঠানত ২০২৫ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় নিৰ্বাচন কাৰ্যসূচী মুকলি কৰে। এই কাৰ্যসূচীৰ অংশহিচাপে ফ্ৰান্স, দক্ষিণ আফ্ৰিকা, বেলজিয়াম, ইন্দোনেছিয়া, ফিলিপিন, থাইলেণ্ড আৰু কলম্বিয়াৰ ১৪ গৰাকী প্ৰতিনিধিয়ে কাইলৈ হ'বলগীয়া বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰিব। নিৰ্বাচন আয়োগে জনোৱা মতে, এই কাৰ্যসূচীৰ অংশহিচাপে প্ৰতিনিধিসকলে দুদিনীয়া বিহাৰ ভ্ৰমণৰ সময়ছোৱাত ইলেকট্ৰনিক ভোটিং মেছিনসমূহ প্ৰেৰণ কৰা কেন্দ্ৰসমূহো পৰিদৰ্শন কৰিব। এই কাৰ্যসূচীৰ মুকলি সত্ৰত প্ৰতিনিধিসকলক ইলেকট্ৰনিক ভোটিং মেছিন, ভোটদাতাৰ তালিক প্ৰস্তুত আৰু ভোটগ্ৰহণ প্ৰক্ৰিয়া কেনেদৰে অনুষ্ঠিত হয় সেই বিষয়ে জনোৱা হৈছিল। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত ডাঃ বিবেক যোশীয়ে প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হয়। উল্লেখযোগ্য যে, আন্তঃৰাষ্ট্ৰীয় নিৰ্বাচনী কাৰ্যসূচী, আন দেশ আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ নিৰ্বাচনী ব্যৱস্থাপনা নিকায়সমূহৰ সৈতে, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা তথা সম্পৰ্ক বৃদ্ধি কৰাৰ বাবে নিৰ্বাচন আয়োগৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

ooooo

কৰ্মচাৰী, জনঅভিযোগ আৰু পেঞ্চনৰ ৰাজ্যমন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে নতুন দিল্লীত আজি চতুৰ্থটো দেশজোৰা ডিজিটেল লাইফ চাৰ্টিফিকেট অভিযান আৰম্ভ কৰিব। মন্ত্ৰালয়ে জনোৱা অনুসৰি, দেশৰ দুহেজাৰ পাঁচশ শিবিৰত এমাহ জুৰি এই অভিযান চলোৱা হ'ব। এই অভিযানৰ লক্ষ্য হৈছে মুখাৱয়ৰ প্ৰমাণীকৰণৰ প্ৰযুক্তি ব্যৱহাৰ কৰি পেঞ্চনাৰসকলৰ ডিজিটেল সবলীকৰণৰ প্ৰসাৰ সম্ভৱ কৰি তোলা। এই অভিযানৰ জৰিয়তে সকলো পেঞ্চনাৰ বিশেষকৈ বৃদ্ধ পেঞ্চনাৰসকলে কোনো অসুবিধা নোহোৱাকৈ জীৱনৰ প্ৰমাণ পত্ৰ নিৰৱচ্ছিন্ন ডিজিটেল মোডত জমা দিব পাৰিব।

ooooo

বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ৰাজ্যমন্ত্ৰী জ° জিতেন্দ্ৰ সিঙে ডিজিটেল সহযোগিতা সঁজুলিসমূহৰ সহায়ত প্ৰৱাসী ভাৰতীয় বৈজ্ঞানিকসকলে দেশৰ উন্নয়নৰ বাবে কাম কৰি যাব পাৰিব বুলি উল্লেখ কৰিছে। নতুন দিল্লীত তিনিদিনীয়াকৈ অনুষ্ঠিত বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱনী সন্মিলনৰ এখন বৈঠকক সম্বোধন কৰি কালি এই কথা প্ৰকাশ কৰে। তেওঁ প্ৰৱাসী ভাৰতীয় বৈজ্ঞানীসকলক ভাৰতৰ বৈজ্ঞানিক বিপ্লৱৰ প্ৰতিনিধি হিচাপে ভূমিকাপালন কৰাৰ আহ্বান জনায় আৰু কয়, যে এই পদক্ষেপে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ়ি তোলাৰ লক্ষ্যত যথেষ্ট সহায় কৰিব। শ্ৰীসিঙে সমগ্ৰ বিশ্বৰ বৈশ্বিক ভাৰতীয় বৈজ্ঞানিক প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে নিউজিলেণ্ডৰ উদ্যোগ মন্ত্ৰী টোড মেকলেৰ সৈতে এখন বৈঠকত মিলিত হ'ব। বৈঠকত দেশ দুখনৰ মাজৰ মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত আলোচনা কৰা হ'ব। নিউজিলেণ্ড ভ্ৰমণলৈ যোৱা শ্ৰীগোৱেলে আজি দেশ দুখনৰ মাজৰ ব্যৱসায়, বিনিয়োগ আৰু উদ্ভাৱনীক শক্তিশালী কৰাৰ উদ্দেশ্যে এলানী উচ্চ পৰ্যায়ৰ আলোচনাতো মিলিত হ'ব। বাণিজ্য মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে, যে যোৱা ৩ নৱেম্বৰত অ'কলেণ্ডত আৰম্ভ হোৱা চতুৰ্থ পৰ্যায়ৰ ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ মুক্ত বাণিজ্য চুক্তি আলোচনাই দেশ দুখনৰ মাজৰ বাণিজ্য আৰু অৰ্থনৈতিক সম্পৰ্কক আৰু অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। অহা ৭ তাৰিখে এই বৈঠকৰ অন্ত পৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আমূল আৰু ইণ্ডিয়ান ফাৰ্মাৰ্ছ ফাৰ্টিলাইজাৰ সমবায় লিমিটেডে বিশ্বৰ ১০টা সমবায়ৰ ভিতৰত প্ৰথম দুটা স্থান দখল কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে এই কৃতিত্ব আমূলৰ সৈতে জড়িত লাখ লাখ মহিলা আৰু ইণ্ডিয়ান ফাৰ্মাৰ্ছ ফাইটিলাইজাৰ সমবায় লিমিটেডৰ সফলতাত অৰিহনা যোগোৱা কৃষকসকলৰ নিষ্ঠাৰ প্ৰতি এক সন্মান। তেওঁ লগতে কয়, যে এই স্বীকৃতিয়ে ভাৰতৰ সমবায় আন্দোলনৰ সীমাহীন সম্ভাৱনাক আৰু অধিক প্ৰসাৰিত কৰি আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত বিশ্বব্যাপী আৰ্হিলৈ ভাৰতক প্ৰতিষ্ঠিত কৰিলে।

ooooo

ভাৰত আৰু ইজৰাইলে দুয়োখন ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক প্ৰতিৰক্ষা সম্পৰ্কৰ পৰিসৰ বৃদ্ধিৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতাৰ সন্দৰ্ভত কালি টেল আভিভত অনুষ্ঠিত হোৱা যুটীয়া কাৰ্য্যদলৰ সপ্তদশ বৈঠকত এই বুজাবুজিৰ চুক্তিৰ স্বাক্ষৰ কৰা হয়। প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিং আৰু ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সঞ্চালক প্ৰধান মেজৰ জেনেৰেল আমিৰ বাৰামে যুটীয়াভাৱে এই বৈঠকত সভাপতিত্ব কৰে। এই চুক্তিয়ে দুয়োখন দেশৰ মাজত ইতিমধ্যে শক্তিশালী প্ৰতিৰক্ষা সহযোগিতা গভীৰ কৰাৰ বাবে এটা ঐক্যবদ্ধ দৃষ্টিভংগী আৰু নীতিগত দিশ প্ৰদান কৰিব। ইয়াৰ ফলত উন্নত প্ৰযুক্তিৰ ক্ষেত্ৰত থকা সহযোগিতা অধিক প্ৰসাৰিত হ'ব। দুয়োপক্ষই বৈঠকখনত প্ৰযুক্তিৰ ক্ষেত্ৰত ভৱিষ্যতে সহযোগিতাৰ সম্ভাৱ্য ক্ষেত্ৰসমূহৰ লগতে কাৰ্য্যকৰী সামৰ্থ্য বৃদ্ধিৰ বিষয়ে আলোচনা কৰে। দেশ দুখনে বৈঠকত সন্ত্ৰাসবাদৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানকে ধৰি বিভিন্ন বিষয়ৰ ওপৰতো আলোচনা কৰে আৰু ভাবুকিৰ বিৰুদ্ধে যুঁজিবলৈ তেওঁলোকৰ সামূহিক সংকল্পৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰিও প্ৰতিৰক্ষা সচিব শ্ৰীসিঙে ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাটজকো সাক্ষাৎ কৰি যুটীয়া কাৰ্যদলৰ বৈঠকৰ মূল সিদ্ধান্তসমূহৰ বিষয়ে অৱগত কৰে। উল্লেখযোগ্য,যে এই বৈঠকৰ

লক্ষ্য আছিল ভাৰত আৰু ইজৰাইলৰ মাজত শক্তিশালী আৰু চিৰস্থায়ী প্ৰতিৰক্ষা সহযোগিতা  অধিক শক্তিশালী কৰি তোলা।

ooooo

দহজন গুৰুৰ ভিতৰত প্ৰথমজন তথা শিখধৰ্মৰ প্ৰতিষ্ঠাপক গুৰু নানক দেৱৰ ৫৫৬ বছৰীয়া জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশতে গুৰুপুৰব নামেৰে জনাজাত গুৰু নানক জয়ন্তী উদযাপন কৰা হৈছে। প্ৰতি বছৰে কাৰ্তিক পূৰ্ণিমাত গুৰুপুৰব পালন কৰা হয়। সমগ্ৰ দেশৰ লগতে বিদেশৰ ভক্তসকলেও উদ্যমেৰে শিখ ধৰ্মৰ এই অন্যতম পবিত্ৰ উৎসৱ উদযাপন কৰে।

গুৰু নানক জয়ন্তীৰ প্ৰাকক্ষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ সকলো  নাগৰিকলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাত কয়, যে এই অনুষ্ঠানে সকলোকে গুৰু নানক দেৱৰ আদৰ্শ আৰু মূল্যবোধ গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰে আৰু সকলোকে এখন উন্নত সমাজ গঢ়াৰ দিশত পথ প্ৰদৰ্শন কৰে। তেওঁ লগতে কয়, যে গুৰু নানক জীৰ বাৰ্তাই শিকাইছে যে সত্য, ন্যায়, কৰুণাৰ ওপৰত ভিত্তি কৰি জীৱন যাপন কৰাটোৱেই হৈছে সফলতাৰ প্ৰকৃত পৰিমাপ। ৰাষ্ট্ৰপতিগৰাকীয়ে সকলোকে গুৰু নানক দেৱৰ আদৰ্শক নিজৰ জীৱনত সাৰোগত  কৰি অধিক শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী জাতি গঢ়াৰ বাবে তেওঁ দেখুওৱা পথ অনুসৰণ কৰিবলৈ আহ্বান জনায়।

ooooo

গুৰু নানক দেৱৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশত গুৰুপুৰব উদযাপন কৰা হৈছে। পঞ্জাৱত আন গুৰুদ্বাৰৰ উপৰি অমৃতসৰৰ শ্ৰীহৰিমন্দিৰ চাহাব সোণালী মন্দিৰ সুন্দৰকৈ ফুলেৰে সজাই তোলা হৈছে আৰু ভক্তসকলে সৰোৱৰত পবিত্ৰ স্নান কৰি গুৰুদ্বাৰত সেৱা জনাইছে। গুৰবাণী স্মৰণৰ  মাজতে লংগৰৰ আয়োজন কৰা হৈছে। শিখ ধৰ্মৰ প্ৰতিষ্ঠাপক গুৰু নানক দেৱৰ সৈতে জড়িত পবিত্ৰ সামগ্ৰীসমূহ আজি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ শ্ৰীহৰিমন্দিৰ চাহাব, শ্ৰীঅকল তাখাত চাহাব আৰু গুৰুদ্বাৰা বাবা অটল ৰায়ত ভক্তসকলৰ বাবে প্ৰদৰ্শন কৰা হ'ব। সন্ধিয়া পবিত্ৰ গুৰবাণীৰ স্মৰণৰ  অন্তত দীপমালা আৰু প্ৰদূষণমুক্ত আতচবাজী প্ৰদৰ্শন কৰা হ'ব।

ooooo

**সমাপ্ত**